৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

ঘোণ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১১ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, December 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


## কানৈ কলেজত কু-সংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস

**ডিব্ৰুগড়, ১০ ডিচেম্বৰ ঃ** ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত আৰু অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ কানৈ মহিলা মহাবিদ্যালয়ৰ সহযোগত ১০ ডিচেম্বৰ, দিনৰ ১১ বজাৰ পৰা আধুনিক অসমৰ অগ্ৰদূত তথা ভাষাৰ ওজা, অন্ধ বিশ্বাস কুসংস্কাৰ বিৰোধী যঁজৰ অন্যতম ঘাটকটীয়া ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন ১০ ডিচেম্বৰ তাৰিখটো ২০০৫ চনৰ পৰাই ইলোৰা বিজ্ঞান মঞ্চই কু-সংস্কাৰ আৰু অন্ধবিশ্বাস বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। সেয়ে এইবাৰ ইলোৰা বিজ্ঞান মঞ্চৰ ডিব্ৰুগড় শাখাই অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ কানৈ মহিলা মহাবিদ্যালয়ৰ সহযোগত যৌথভাৱে উক্ত দিৱসটো পালন কৰিছে। অনুষ্ঠানৰ আৰম্ভণিতে মঞ্চৰ স্থায়ী সভানেত্ৰী ড০ গায়ত্ৰী দেৱী গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰৰ আৰম্ভণিতে হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভৰালীয়ে তাৰ পিছত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ কাৰ্যকৰী সভাপতি জগন্নাথ ফুকনে। বৈজ্ঞানিক মানসিকতা বিষয়ক বক্তৃতানুষ্ঠানত প্ৰাক্তন অধ্যাপিকা প্ৰাণী বিজ্ঞান বিভাগ ডিএইচএচ কানৈ মহাবিদ্যালয়ৰ সুদক্ষিণা দাসে 'হেমচন্দ্ৰ বৰুৱাৰ দিনৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়ৰ দিনটো কিদৰে কু-সংস্কাৰ সমাজত প্ৰচলিত কৰি ৰাখিছে তাৰ বহল ব্যাখ্যা আগবঢ়ায়। সফল ব্যক্তি হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অ-পেছাদাৰী জ্যোতি বিজ্ঞানী ড০ কিশোৰ বৰুৱাই জনশ্ৰুতিৰ পৰা বিজ্ঞানলৈ শীৰ্ষক এক বিষয়ত চন্দ্ৰ, সূৰ্য, গ্ৰহ-নক্ষত্ৰ, তৰা আদিৰ বিষয়ে আলোচনা কৰি কিদৰে মানুহক জ্যোতিষসকলে ঠগ প্ৰৱঞ্চনা কৰি আহিছে তাৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। আজিৰ অনুষ্ঠানত উপস্থিত থাকে ডাঃ হেমচন্দ্ৰ কলিতা ইলোৰা বিজ্ঞান মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সদস্য প্ৰণৱ শইকীয়া, ড০ অশ্বিনী মাছে, সুৰেশ ভট্টাচাৰ্য, ড০ পুৰ্ণিমা চুতিয়া, ড০ চণ্ডী শেঠ, সমাজকৰ্মী নকুল খাউণ্ড, জীৱনজ্যোতি দুৱৰা, ড০ অঞ্জু বড়ায়ে। আজিৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ অৰ্ধশতাধিক ছাত্ৰীৰ লগতে ভালেসংখ্যক বিজ্ঞান মনস্ক ব্যক্তি উপস্থিত থাকে আজিৰ অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী সঞ্জয় শৰ্মাই ইলোৰা বিজ্ঞান মঞ্চৰ দেহদান চুক্তিপত্ৰত স্বাক্ষৰ কৰি আনুষ্ঠানিকভাৱে প্ৰদান কৰে।